# অসমীয়া (ASSAMESE)

## (228)

### মূল্যায়ন পত্ৰ-১ (I) Assignment-I

**(পাঠ ১ ৰ পৰা ১২ লৈকে)**

**মুঠ নম্বৰ : ২৫**

**টোকা** (i) সকলো প্ৰশ্নৰে উত্তৰ কৰাটো অনিবাৰ্য আৰু প্ৰতিটো প্ৰশ্নৰ বাবে সমান নম্বৰ।

(ii) উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাত নিজৰ নাম, ৰোল নম্বৰ, অধ্যয়ন কেন্দ্ৰৰ নাম আৰু বিষয় স্পষ্ট আখৰেৰে লিখিবা।

1. তলত দিয়া প্ৰশ্নসমূহৰ পৰা যিকোনো দুটাৰ উত্তৰ লিখিবা।

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৬০-৮০ টা শব্দৰ ভিতৰত হোৱাটো বাঞ্ছনীয়)

(ক) 'জনমভূমি' কবিতাত কবিয়ে মৃত্যুৰ পিছত কি কি ৰূপ ধাৰণ কৰি জন্ম গ্ৰহণ কৰাৰ হাবিয়াস কৰিছে লিখা।

(খ) 'জীৱন জেউতি' কবিতাটোৰ কবি কোন ? কবিতাটোৰ মূলকথা খিনি তোমাৰ ভাষাত লিখা।

(গ) 'ঘুনুচা' কোন ? ঘুনুচাৰ কাহিনীভাগ আলোচনা কৰা।

2. তলত দিয়া প্ৰশ্নসমূহৰ পৰা যিকোনো দুটাৰ উত্তৰ ৬০-৮০ টা শব্দৰ ভিতৰত হোৱাকৈ লিখা।

(ক) মাদাৰ টেৰেছাৰ প্ৰকৃত নাম কি ? তেওঁক কিয় 'মাদাৰ টেৰেছা' নাম দিয়া হৈছে ? তেওঁক কি কি সন্মানেৰে বিভূষিত কৰা হৈছিল লিখা।

খ/ 'সিহঁতৰ চকুৰ পতাত হয়তো

কাজিৰঙাৰ কজলা সপোন,

কাজিৰঙা হায় কিমান দূৰ ?'

- এই কথাষাৰ কিয় লিখক হেম বৰুৱাৰ মনলৈ আহিছিল, তোমাৰ পাঠ 'নিউয়ৰ্ক'ৰ আধাৰত লিখা।

(গ) ভট্টদেৱৰ গদ্যৰ আধাৰত মধ্যযুগীয় অসমীয়া গদ্য সম্পৰ্কে লিখা।

3. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ দুশ শব্দৰ ভিতৰত লিখা—

(ক) পথ মেৰামতিৰ বাবে মুকলি কৰা ফাইলটো কি কি স্তৰৰ মাজেৰে কেনেকৈ আগবাঢ়িছে তোমাৰ পাঠৰ আধাৰত নিজৰ ভাষাত লিখা।

খ/ ‘চিঠিৰ আৰ্হি’ পাঠৰ আইতাই লিখা চিঠিখনৰ মূলকথাখিনি আলোচনা কৰা।

4. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ দুশ শব্দৰ ভিতৰত লিখা—

(ক) ব্যাখ্যা কৰা -

‘এলেহুৱাৰ দিনটো নাযায়-নুপুৱায়।’

(খ) গোপীনাথ বৰদলৈৰ জীৱনৰ বিষয়ে এটি থূলমূল আভাস দিয়া।

5. প্ৰকল্প কাৰ্য :

নিম্নলিখিত ক্ৰম অনুসাৰে এটি বিৱৰণ যুগুত কৰা—

- তোমাৰ অঞ্চলত উদ্‌যাপিত এটি উৎসৱ আৰু ইয়াৰ বৈশিষ্ট্য (বিহু / ঈদ / জনজাতীয় উৎসৱ)
- উৎসৱটি পালনৰ ৰীতি-নীতি
- উৎসৱটিৰ লগত জৰিত লোক-বিশ্বাস
- উৎসৱটিৰ লগত জৰিত গীত-বাদ্য-নৃত্য
- পোহৰছবি সংগ্ৰহ কৰি ছবিৰ শিৰোনামা দি আঠা লগোৱা

# অসমীয়া (ASSAMESE)

# (228)

## মূল্যায়ন পত্ৰ-২ (II) Assignment-II

### (পাঠ ১৩ ৰ পৰা ২৪ লৈকে)

**মুঠ নম্বৰ : ২৫**

**টোকা** (i) সকলো প্ৰশ্নৰে উত্তৰ কৰাটো অনিবাৰ্য আৰু প্ৰতিটো প্ৰশ্নৰ বাবে সমান নম্বৰ।

(ii) উত্তৰ বহীত প্ৰথম পৃষ্ঠাত নিজৰ নাম, ৰোল নম্বৰ, অধ্যয়ন কেন্দ্ৰৰ নাম আৰু বিষয় স্পষ্ট আখৰেৰে লিখিবা।

1. তলৰ প্ৰশ্নসমূহৰ যিকোনো দুটাৰ উত্তৰ লিখা।

ক/ 'কেতেকী' পাঠটোৰ মূল কথাখিনি তোমাৰ নিজৰ ভাষাত লিখা।

খ/ ''এ ভৱ গহন বন অতি মোহ পাশে ছন্ন

তাহে হামু হৰিণ বেড়াই।''

— কবিয়ে কি প্ৰসংগত এইদৰে কৈছে বুজাই লিখা।

গ/ 'বৰবৰুৱাৰ গাত চ'তৰ বিহু' পাঠটিৰ আধাৰত পুৰণি অসমৰ বিহু পৰম্পৰা সম্পৰ্কে চমুকৈ লিখা।

2. তলত দিয়া প্ৰশ্নকেইটাৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ দুশমান শব্দৰ ভিতৰত লিখা।

ক/ তুলাৰাম সেনাপতিৰ বংশ পৰিচয় দি তেওঁৰ চৰিত্ৰ বিশ্লেষণ কৰা।

খ/ লুকু ডেকাফুকনৰ দেশভক্তি সম্পৰ্কে লিখা।

গ/ ''ভাৰতীয় সংস্কৃতি ঐক্যৰ সংস্কৃতি''—এই বিষয়ে এটি নিবন্ধ যুগুত কৰা।

3. তলত দিয়া প্ৰশ্নকেইটাৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ দুশমান শব্দৰ ভিতৰত লিখা।

ক/ 'মানৱ অধিকাৰ' শীৰ্ষক এখন ৰচনা লিখা

খ/ অসমৰ ওজাপালি অনুষ্ঠান সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

গ/ ''অসম ভূমি বাৰে ৰহণীয়া সংস্কৃতিৰ পলসুৱা কঠিয়াতলী''—কথাষাৰৰ সত্যতা প্ৰমাণিত হোৱাকৈ এখন ৰচনা লিখা।

4. তলত দিয়া প্ৰশ্নকেইটাৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ দুশমান শব্দ ভিতৰত লিখা।

ক/ ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ ভূমিকা সম্পৰ্কে লিখা।

খ/ সময়ক কিদৰে বিভাজন কৰা হৈছে ‘সময়’ পাঠৰ আধাৰত বহলাই লিখা।

গ/ তোমাৰ অঞ্চলৰ দলঙৰ জৰাজীৰ্ন অৱস্থা বৰ্ণনা কৰি বাতৰি কাকতৰ সম্পাদকলৈ এখন চিঠি লিখা।

5. প্ৰকল্প কাৰ্য :

ক/ বন্যপ্ৰাণী সংৰক্ষণ সম্পৰ্কে এটি টোকা যুগুত কৰা।

খ/ অসমৰ অভয়াৰন্য আৰু অসমত বন্যপ্ৰাণী সংৰক্ষণৰ বৰ্তমান অৱস্থা উল্লেখ কৰি এটি টোকা যুগুত কৰা।

গ/ অসমৰ আপুৰুগীয়া বন্যপ্ৰাণীসমূহৰ পোহৰ ছবি সংগ্ৰহ কৰি প্ৰাণীসমূহৰ পৰিচয় চমুকৈ উল্লেখ কৰা।

# অসমীয়া (ASSAMESE)

## (228)

### মূল্যায়ন পত্ৰ-৩ (III) Assignment-III

### (পাঠ ২৫ ৰ পৰা ৩৫ লৈকে)

**মুঠ নম্বৰ : ২৫**

**টোকা** (i) সকলো প্ৰশ্নৰে উত্তৰ কৰাটো অনিবাৰ্য আৰু প্ৰতিটো প্ৰশ্নৰ বাবে সমান নম্বৰ।

(ii) উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাত নিজৰ নাম, ৰোল নম্বৰ, অধ্যয়ন কেন্দ্ৰৰ নাম আৰু বিষয় স্পষ্ট আখৰেৰে লিখিবা।

1. তলত দিয়া প্ৰশ্নকেইটাৰ ভিতৰত যিকোনো দুটাৰ উত্তৰ লিখা।

ক/ তলত দিয়া শব্দকেইটাৰ সন্ধি ভাঙি দেখুওৱা—।
সিংহাসন, বৃকোদৰ, পীতাম্বৰ, পূৰ্বাঞ্চল, হিমালয়,
শূলপানি, নীলাক্ষি, ভুৱনেশ্বৰ, দেৱৰাজ, ষড়ানন

খ/ তলত দিয়া উপসৰ্গ কেইটাৰে শব্দ গঠন কৰা—।
প্ৰ — , অনু — , বি — , আ —, নিৰ — , সু —,

অভি — , উপ — , অপ — , দু —

গ/ তলত দিয়া শব্দকেইটাৰ সমাৰ্থক শব্দ লিখা—।
পদুম, বেলি, পানী, পৃথিৱী, আই, ঈশ্বৰ, বায়ু, বস্ত্ৰ, হস্ত, কৰ্ণ

2. তলত দিয়া প্ৰশ্নকেটাৰ যিকোনো দুটাৰ উত্তৰ লিখা— 5

ক/ তলত দিয়া সমোচ্চাৰণ শব্দবোৰেৰে অৰ্থ প্ৰকাশক বাক্য ৰচনা কৰা।
কাণ, কান
মুৰ, মোৰ
হাত, হাট
চুটি, ছুটি
জোৰ, যোৰ

খ/ তলত দিয়া শব্দকেইটাৰ বিপৰীত শব্দ লিখা।
দিন, আন্ধাৰ, দীঘল, শকত, ধনী, পূব, জয়, কান্দোন, পতি, ছোৱালী

গ/ তলত দিয়া শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুওৱা।
ধাননি, বাঁহনি, হাজৰিকানী, হালোৱা, দাৱনী, ভিতৰুৱা, বৰুৱানী, ৰোৱনী, চহৰীয়া, দীঘলীয়া

3. তলৰ যিকোনো এটা প্ৰশ্নৰ দুশমান শব্দৰ ভিতৰত লিখা।

ক/ বুৰঞ্জী বুলিলে কি বুজা ? 'লতাকটা ৰণ' পাঠটিৰ আধাৰত বুৰঞ্জী সাহিত্য সম্পৰ্কে লিখা।

অথবা,

খ/ 'গড়গাঁও' কবিতা অথবা 'শৰৎ বৰ্ণনা' কবিতাৰ মূলভাব নিজৰ ভাষাৰে লিখা।

4. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ দুশমান শব্দৰ ভিতৰত লিখা।

ক/ অসমৰ প্ৰাকৃতিক সমস্যা সম্পৰ্কে এখন ৰচনা প্ৰস্তুত কৰা।

খ/ কম্পিউটাৰ আৰু ইয়াৰ ব্যৱহাৰ সম্পৰ্কে এটা টোকা যুগুত কৰা।

5. প্ৰকল্প কাৰ্য :

ক/ পৰিবেশ প্ৰদূষণ আৰু ইয়াৰ বিভিন্ন প্ৰকাৰবোৰৰ সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰা।

খ/ পৰিবেশ প্ৰদূষণ ৰোধ কৰাৰ উপায়সমূহ উল্লেখ কৰি এটা টোকা প্ৰস্তুত কৰা।

গ/ তোমাৰ নিজৰ অঞ্চলটোত প্ৰদূষণৰ কুপ্ৰভাৱ সম্পৰ্কে ৰাইজক অৱগত কৰি এখন ৰাজহুৱা সভা আয়োজন কৰা।